দেশপ্ৰেম বৃদ্ধিৰ অৰ্থেও বাণিজ্যিক সংৰক্ষণৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰা হয়। ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত মহাত্মা গান্ধীয়ে বিদেশী বস্তু বৰ্জন আৰু স্বদেশী বস্তু প্ৰচলনৰ সপক্ষে ধৰ্ণা দি ভাৰতীয়সকলৰ মনত দেশপ্ৰেম জাগ্ৰত কৰিব বিচাৰিছিল। পুনৰ আমেৰিকাবাসীয়ে "আমেৰিকান হোৱা, আমেৰিকাৰ সামগ্ৰী ব্যৱহাৰ কৰা" (Be American used American) জাতীয় শ্ল'গানেৰে আমেৰিকাবাসীৰ মনত দেশপ্ৰেম জাগ্ৰত কৰিব বিচাৰিছিল। বিদেশী দ্ৰব্যৰ পৰিৱৰ্তে দেশীয় সামগ্ৰীৰ উপভোগক দেশপ্ৰেমৰ নিদৰ্শকৰূপে গঢ় দিবলৈ বাণিজ্যিক সংৰক্ষণৰ প্ৰয়োজন আছে।

**3.6 সংৰক্ষিত বাণিজ্যৰ বিপক্ষে যুক্তি বা বাণিজ্য নিয়ন্ত্ৰণৰ অসুবিধা** (Arguments against Protection or Disadvantages of Trade Restrictions) ঃ সংৰক্ষিত বাণিজ্য নীতিৰ কিছুমান অসুবিধাও নোহোৱা নহয়। এনে অসুবিধাসমূহকে সংৰক্ষিত বাণিজ্যৰ বিপক্ষে যুক্তি বা বাণিজ্য নিয়ন্ত্ৰণৰ অসুবিধা আখ্যা দিয়া হয়। তলত এনে কেইটামান অসুবিধাৰ বিষয়ে উল্লেখ কৰা হ'ল—

**1. প্ৰাকৃতিক সম্পদৰ উৎকৃষ্ট ব্যৱহাৰত প্ৰতিবন্ধক** (Uneconomic Use of natural Resources) ঃ মুক্ত বা অবাধ বাণিজ্যৰ অধীনত এখন দেশে সেইসমূহ দ্ৰব্য নিজ দেশত উৎপাদন কৰে যায় উৎপাদন ব্যয় তুলনামূলকভাৱে আন-আন দেশতকৈ কম। তেনে সামগ্ৰী উৎপাদনত দেশখনে শ্ৰমৰ বিশেষীকৰণ ঘটায় আৰু অধিক উৎপাদন কৰি ৰাহী উৎপাদনখিনি বিদেশলৈ ৰপ্তানি কৰে। এই ৰাহী উৎপাদন ৰপ্তানিৰ জৰিয়তে তেনে সামগ্ৰী আমদানিৰ বাবদ বিনিময় কৰে যিবিলাক সামগ্ৰীৰ উৎপাদন ব্যয় ঘৰুৱাভাৱে বিদেশৰ তুলনাত বেছি হয়। এনে কৰিলে দেশৰ প্ৰাকৃতিক সম্পদসমূহ উৎকৃষ্ট বা মিতব্যয়ীভাৱে উৎপাদন কাৰ্য্যত ব্যৱহাৰ হয়। কিন্তু সংৰক্ষিত বাণিজ্য নীতিৰ আধাৰত আন্তৰ্জাতিক বাণিজ্য হ'লে যিসমূহ সামগ্ৰী উৎপাদনত উৎপাদন ব্যয় অধিক তেনে সামগ্ৰীও উৎপাদন কৰাত দেশৰ প্ৰাকৃতিক সম্পদসমূহ ব্যৱহাৰ হয় বাবে সম্পদ ব্যৱহাৰৰ ক্ষেত্ৰত মিতব্যয়ীতা ৰক্ষা কৰিব পৰা নেযায়।

**2. দক্ষতাহীন উদ্যোগ** (Unskilled Industry) ঃ বাণিজ্য সংৰক্ষণে ঘৰুৱা উদ্যোগ আৰু উদ্যোক্তাক দক্ষতাহীন কৰি তোলে। কিয়নো সংৰক্ষণৰ বাবে ঘৰুৱা উদ্যোগসমূহ প্ৰতিযোগিতাৰ পৰা হাত সাৰি থাকিব পাৰে। এনে হোৱা

বাবে সিবিলাকে অধিক দক্ষতাৰে উদ্যোগ পৰিচালনা কৰাৰ প্ৰতি গুৰুত্ব আৰোপ নকৰা হয়। যদি ঘৰুৱা উৎপাদনৰ দাম অধিক হয় তেতিয়াও ঘৰুৱা উপভোক্তাসকলে উচ্চ দামতে তেনে সামগ্ৰী ক্ৰয় কৰিবলৈ বাধ্য থাকে।

3. **একচেটিয়া ব্যৱসায় গঠনত উৎসাহ** (Creation of Monopolies) ঃ সংৰক্ষিত বাণিজ্যই ঘৰুৱা উদ্যোগৰ লগত আন্তৰ্জাতিক পৰ্য্যায়ৰ উদ্যোগসমূহৰ প্ৰতিযোগিতা নিষিদ্ধ কৰে। ফলত বহু ক্ষেত্ৰত বহু ঘৰুৱা উদ্যোগ প্ৰতিষ্ঠানে উৎপাদন কাৰ্য্যত একচেটিয়া অধিকাৰ লাভ কৰে। ইয়াৰ ফলত নিজে দেশত একচেটিয়া অধিকাৰ লাভ কৰা ঘৰুৱা উদ্যোগসমূহে উৎপাদিত সামগ্ৰীৰ চৰাদাম ধাৰ্য্য কৰাত উচ্চ দামতে তেনে সামগ্ৰী উপভোগ কৰিবলৈ দেশৰ উপভোক্তাসকল বাধ্য হয়।

4. **দুৰ্নীতিত উৎসাহ প্ৰদান** (Encouragement to Corruption) ঃ বাণিজ্য সংৰক্ষণে দেশৰ উৎপাদনীয় খণ্ডক ৰাজনৈতিকভাৱে দুৰ্নীতিৰ সুবিধা প্ৰদান কৰিব পাৰে। ইয়াৰ কাৰণ যিবোৰ উদ্যোগ-প্ৰতিষ্ঠানে এবাৰ চৰকাৰীভাৱে সংৰক্ষণ লাভ কৰে সেই উদ্যোগৰ উদ্যোক্তাজনে উদ্যোগটোৰ উৎপাদনীয় দক্ষতা বৃদ্ধিৰ বাবে যৎপৰোনাস্তি চেষ্টা চলোৱাৰ বিপৰীতে কেনেদৰে ৰাজনৈতিক শক্তি প্ৰয়োগৰ যোগেদি বছৰ-বছৰ ধৰি সংৰক্ষণৰ আওঁতালৈ উদ্যোগটো আনিব পাৰি সেই চেষ্টাত ব্ৰতী হয়। ফলত দেশত উৎপাদন বৃদ্ধি নহ'বও পাৰে বা সংৰক্ষণৰ মূল উদ্দেশ্য লক্ষ্যভ্ৰষ্ট হ'ব পাৰে।

5. **ৰাজহৰ লোকচান** (Loss of Revenue) ঃ বাণিজ্য সংৰক্ষণ পদ্ধতিৰে এখন দেশে নিজ দেশৰ আমদানিৰ ওপৰত উচ্চ হাৰত আমদানি শুল্ক আৰোপ কৰিলে আন আন দেশেও অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। বাণিজ্য সংৰক্ষণ নীতি মানি আমদানিৰ ওপৰত উচ্চ হাৰত আমদানি শুল্ক আৰোপ কৰা দেশৰ ৰপ্তানিৰ ওপৰতো আন আন দেশে উচ্চ হাৰত শুল্ক আৰোপ কৰিলে ঘৰুৱা দেশখনৰ ৰপ্তানি বাণিজ্য খৰ্ব হ'ব। ফলত অত্যাধিক যোগান হোৱা সম্ভাৱনাই দেখা দি তেনে সামগ্ৰীৰ বজাৰ দৰ উৎপাদনী ব্যৱস্থাতকৈও কম হোৱা আশংকাই দেখা দিব। অৰ্থাৎ দেশত ৰাজহ বেছি হোৱাৰ বিপৰীতে অৰাজকতাহে দেখা দিব।

6. **আয়ৰ অসম বিতৰণ** (Unequal Distribution of Income) ঃ বাণিজ্য সংৰক্ষণে দেশত আয়ৰ সুষম বিতৰণত বাধাৰ সৃষ্টি কৰে। বাণিজ্য সংৰক্ষণৰ

সুবিধা লৈ এচাম উদ্যোক্তাই অসাধু উপায়েৰে ধন সংগ্ৰহ কৰা কাৰ্য্যত লিপ্ত হয়। উপাদানসমূহক ন্যায়সংগতভাৱে প্ৰাপ্য আদায় দিয়াত অমনোযোগিতা প্ৰদৰ্শন কৰে। শ্ৰমিকসকলে প্ৰাপ্য মজুৰিৰ পৰা বঞ্চিত হয়। আনহাতেদি নিজৰ খেয়াল-খুচি মতে সামগ্ৰীৰ দাম ধাৰ্য্য কৰাত দেশৰ ধনীক শ্ৰেণী লোক সদায় ধনী আৰু দুখীয়া শ্ৰেণী লোক সদায় দুখীয়া হোৱাত দেশত ধনী দুখীয়াৰ বৈষম্যতা বৃদ্ধি পায়।

**7. উদ্যোগীক উন্নয়নত বাধা প্ৰদান** (Check on Industrial Growth)ঃ সংৰক্ষিত বাণিজ্য নীতিৰ আটাইতকৈ ডাঙৰ দোষটো হ'ল কোনো এটা উদ্যোগে এবাৰ যদি নিজকে সংৰক্ষণৰ আওঁতালৈ আনিব পাৰে তেনেহ'লে দীৰ্ঘদিন ধৰি কেনেকৈ সংৰক্ষণৰ সুবিধা লাভ কৰে তাৰ প্ৰতিহে গুৰুত্ব আৰোপ কৰে। কিন্তু কেনেকৈ দেশৰ উদ্যোগসমূহক সকলো দিশৰ পৰা অধিক কাৰ্য্যক্ষম কৰিব পৰা যায় সেই দিশটো এৰাই চলে। ফলত প্ৰতিযোগিতাৰ অভাৱত দেশত উদ্যোগীক উন্নয়নৰ গতি মন্থৰ হৈ পৰে।

**8. ৰাজহৰ লোকচান** (Loss of Revenue) ঃ বাণিজ্য সংৰক্ষণে আমদানিৰ ওপৰত উচ্চ আমদানি শুল্ক আৰু সীমা শুল্ক বৃদ্ধি কৰি দেশৰ ৰাজহ বৃদ্ধি কৰিব পৰা যায় বুলি এটা বিশ্বাস আছে। কিন্তু বিশ্বৰ অনান্য দেশেও একে সময়তে অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰিলে ঘৰুৱা দেশখনৰ ৰপ্তানি খণ্ডত ঘাটিৰ সৃষ্টি হ'ব। ৰপ্তানিৰ অবিহনে এক বৃহৎ পৰিমাণ উৎপাদন বিক্ৰী নোহোৱাকৈ থকাত দেশত এক বৃহৎ পৰিসৰত ৰাজহ ঘাটিৰ সৃষ্টি হ'ব।

**9. পৰিশোধ** (Retaliation)ঃ বাণিজ্য সংৰক্ষণত বিভিন্ন দেশে আমদানিৰ ওপৰত শুল্ক আৰোপনৰ শীতল যুদ্ধ অটুত ৰাখে। ফলত দেশবিলাকত আন্তৰ্জাতিক পৰিশোধত বিষমতাই দেখা দিয়ে। আৰু আন্তৰ্জাতিক সম্পৰ্কৰ প্ৰতি বিতৃষ্ণা ভাবৰ জন্ম দিয়ে।

10. **পৰস্পৰ নিৰ্ভৰশীলতা** (Interdependent) ঃ কোনো দেশেই কেতিয়াও দেশখনৰ জনসাধাৰণৰ সকলো প্ৰকাৰৰ অভাৱ-অভিযোগ দুৰ কৰিব পৰাকৈ উৎপাদনীয় ব্যৱস্থাসমূহ গঢ়ি তুলিবলৈ সক্ষম নহয়। এনে অৱস্থাত দেশৰ জনসাধাৰণৰ নিত্য প্ৰয়োজনীয় সকলো অভাৱ অতি কম ব্যয় সাপেক্ষভাৱে পূৰণ কৰিবলৈ প্ৰতিখন দেশেই আন আন দেশৰ লগত আন্তৰ্জাতিক বাণিজ্যিক সম্পৰ্ক গঢ়ি তুলিবই লাগিব। গতিকে সংৰক্ষণে এনে সুবিধাক বাধা দি দেশৰ